নৰ সৈতে ভাৰতীয়
তা আছিল আৰু
গা অব্যাহত থাকিব।
সন্দেহ নাই।

*য় আমবাৰীত উপস্থিত*
*ৰ সভাপতি তথা সাংসদ*
*দিলীপ শইকীয়া*


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

ফোন নং : ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১১৫ দেওবাৰ ২৫ ফাগুন ১৯৪৬ শক ৯ মাৰ্চ ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 9 MARCH 20


সোম
বাজেট



## যুৱ-প্ৰজন্মই ভৱিষ্যত সমাজ আকাৰ দিয়াত গুৰুত্ব দিব লাগিব : অধ্যক্ষ ড° শইকীয়া

# ডিব্ৰুগড় পলিটেক্‌নিকত ‘পলি মিট’ সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ মাৰ্চ : ‘প্ৰাচীন কালত ভাৰতবৰ্ষৰ অভিযান্ত্ৰিক শিক্ষা অতি উৰ্বৰ আছিল। প্ৰাচীন ভাৰতবৰ্ষৰ স্থাপত্য, ভাস্কৰ্য, কলা আদিত ভাৰতবৰ্ষ যে এখন প্ৰাচীন কালৰেপৰা জ্ঞান, বিজ্ঞান, শিক্ষাৰ দেশ আছিল সেয়া প্ৰমাণিত হয়। ভাৰতবৰ্ষৰ বিভিন্ন সভ্যতা, সমাজ আদিত ভাৰতীয়সকলৰ নিপুন কাৰিকৰী জ্ঞান প্ৰতিফলিত হৈছিল। বৰ্তমানৰ ভাৰতবৰ্ষক প্ৰাচীন ভাৰতবৰ্ষৰ চিন্তা-দৰ্শনেৰে আগুৱাই নিব লাগিব।’—ডিব্ৰুগড়ৰ লাহোৱাল অঞ্চলত অৱস্থিত ডিব্ৰুগড় পলিটেক্‌নিকত সদৌ অসম পলিটেক্‌নিক ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা ‘পলি মিট’ত কাৰ্নে মাহবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অসমৰ ২৬ খন পলিটেক্‌নিকৰ শিক্ষাৰ্থীৰে পৰিপূৰ্ণ ৫ মাৰ্চত অনুষ্ঠিত সভাত অধ্যক্ষগৰাকীয়ে একবিংশ শতিকাতো সম্প্ৰতি পৃথিৱীত ভাৰতীয়সকলৰ বুলি উল্লেখ কৰি কয়, প্ৰাচীন ভাৰতবৰ্ষৰ হৰপ্পা, মহেঞ্জোদাৰো আদি সভ্যতাসমূহত ভাৰতীয়সকলৰ অভিযান্ত্ৰিক শিক্ষাৰ নিপুন কাৰিকৰী দক্ষতা দেখা পোৱা যায়। ভাৰতবৰ্ষৰ বেদ, উপনিষদ, অন্যান্য প্ৰাচীন গ্ৰন্থসমূহতো গণিত, জ্যোতিবিদ্যা, স্থাপত্যবিদ্যা, যন্ত্ৰবিদ্যাৰ দৰে বিষয়বোৰ বিযদভাৱে উল্লেখ আছে বুলি তেওঁ কয়। ঋক্‌বেদত গণিত আৰু জ্যামিতিৰ প্ৰাথমিক ধাৰণাবোৰ উল্লেখ থকা বুলি উল্লেখ কৰি কয়, পাছলৈ সেইবোৰ অভিযান্ত্ৰিক শিক্ষাৰ ভেটি হৈ পৰিছিল। তেওঁ কয়, প্ৰাচীন ভাৰতবৰ্ষত নগৰ পৰিকল্পনা, পয়-প্ৰণালী ব্যৱস্থা, ইটাৰ গাঁথনি, কৃষি, গৃহ, পথ, গুহা নিৰ্মাণৰ পৰা স্পষ্ট হ’ব পাৰি যে প্ৰাচীন ভাৰতবৰ্ষৰ অভিযান্ত্ৰিক শিক্ষা, জ্ঞান কিমান উন্নত আছিল। প্ৰাচীন মন্দিৰ, খাজোৰাহো, কৰ্ণাক আৰু তাঞ্জোৰৰ দৰে মন্দিৰত গাণিতিক গণনা আৰু স্থাপত্যৰ উন্নত দক্ষতা স্পষ্ট প্ৰমাণ পোৱা যায় বুলি কয়। তক্ষশিলা, নালন্দা, বিক্ৰমশিলাৰ দৰে শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ্থীসকলক প্ৰায়োগিক জ্ঞান আৰু দায়িত্ব জ্ঞানৰ বিষয়ে শিক্ষা প্ৰদান কৰিছিল। তেওঁ কয় যে, প্ৰাচীন ভাৰতৰ অভিযান্ত্ৰিক শিক্ষাই বিশ্বৰ সকলোকে জ্ঞান আৰু প্ৰযুক্তিৰ বাট মুকলি কৰিছিল। ইয়াক সঠিক প্ৰয়োগেৰে বৰ্তমান সমাজক উন্নত আৰু সমৃদ্ধিশালী কৰিব পাৰে বুলিও তেওঁ কয়। তেওঁ কয়, সাম্প্ৰতিক ভাৰতবৰ্ষৰ যুৱ সমাজ এক ‘পাৱাৰ হাউছ’সদৃশ হৈ পৰিছে। তেওঁ কয়, ভাৰতীয়সকলৰ যুৱ-প্ৰজন্মৰ গড় বয়স এতিয়া ২৮ বছৰ। আমেৰিকা, চীন, অষ্ট্ৰেলিয়া, ৰাছিয়া, কানাডা, জাপানতকৈ ই বহু কম। ভাৰতীয়সকলৰ প্ৰায় ৬২ শতাংশ যুৱ শক্তি। সেই যুৱ শক্তিয়ে ভাৰতবৰ্ষক এখন এছিয়া তথা পৃথিৱীৰ সৰ্বশক্তিমান যুৱ-প্ৰজন্মৰ সমাজ হিচাপে প্ৰমাণ কৰিব পাৰে। তেওঁ কয় যে, ভাৰতবৰ্ষৰ যুৱ শক্তিয়ে বিশ্বক নেতৃত্ব দিব পৰা অন্যতম শক্তি হিচাপে প্ৰমাণ কৰিব পাৰে। তেনে কৰিবলৈ হ’লে ভাৰতীয় যুৱ-প্ৰজন্মই প্ৰায়োগিক, অভিযান্ত্ৰিক শিক্ষাৰে শিক্ষিত হৈ ভাৰতবৰ্ষখনক পৃথিৱীৰ এক নম্বৰ দেশ হিচাপে ৰূপায়িত কৰিব পাৰে। যুৱ-প্ৰজন্মই চৰকাৰে প্ৰস্তুত কৰি দিয়া ‘স্কীল ইণ্ডিয়া’, ‘স্মাৰ্ট ইণ্ডিয়া’, ‘ষ্টাৰ্টআপ ইণ্ডিয়া’ আঁচনিক সন্মান জনাই গভীৰভাৱে দেশৰ প্ৰগতিৰ প্ৰতিযোগিতাত লিপ্ত হ’ব লাগিব। এই ক্ষেত্ৰত যুৱ-প্ৰজন্মৰ মানসিকতা সলনি হ’বই লগিব বুলি তেওঁ কয়। ভাৰতীয় যুৱ-সমাজে ভৱিষ্যতৰ সমাজখন আকাৰ ৰূপ দিয়াত গুৰুত্ব দিব লাগিব। তেওঁ কয় যে, ভাৰতীয়সকলৰ যুৱক-যুৱতীসকলৰ মানসিকতা সলনি নহ’লে দেশৰ প্ৰগতি সম্ভৱ নহ’ব। উল্লেখ্য যে ডিব্ৰুগড় পলিটেক্‌নিকৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বিশিষ্ট ব্যক্তি, সদৌ অসম পলিটেক্‌নিক ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সভাপতি নিশান্ত চমুৱা, সাধাৰণ সম্পাদক সৌৰভ গগৈৰ উপৰি বিষয়ববীয়া, গণ্য-মান্য ব্যক্তি, অসমৰ বিভিন্ন প্ৰান্তৰপৰা আহি সমৱেত হোৱা কেইবাশতাধিক শিক্ষাৰ্থীৰ উপস্থিতিত যুৱ-প্ৰজন্মক আগুৱাই নিয়াৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াক চেলেং চাদৰ, সম্বৰ্ধনা-পত্ৰ, জাপি, গামোচাৰে সম্বৰ্ধনা জনায়।